**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-SEP-2025
**Time :** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***
**--------------------**

১। কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২১ সংখ্যক কিস্তি মুকলি কৰে।

২। কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয় যে বিগত ১১ বছৰত ভাৰতে প্ৰযুক্তিৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে।

৩। বি টি চি নিৰ্বাচনৰ ৪০খন আসনৰ বাবে হোৱা ভোটগণনা অব্যাহত আছে।

৪। ভাৰতে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষা আয়োগৰ প্ৰভাৱ আৰু কাৰ্যকুশলতা শক্তিশালী কৰাৰ ক্ষেত্ৰত দৃঢ়তা প্ৰকাশ কৰিছে। ***আৰু***

৫। এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলৰ পূৰ্বে ছুপাৰ ফ'ৰ পৰ্যায়ৰ আন এখন খেলত আজি ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত ৰাছিয়াৰ উপ-প্ৰধানমন্ত্ৰী ডিমিট্ৰি পেট্ৰোছেভৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত দুয়োগৰাকী নেতাই কৃষি আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতাৰ ক্ষেত্ৰত সবিশেষ আলোচনা কৰে, যাতে কৃষক, উপভোক্তা আৰু দুয়োখন দেশৰ জনসাধাৰণ উপকৃত হ'ব পাৰে। বৈঠকৰ পাছত সংবাদ মাধ্যমৰ আগত শ্ৰীচৌহানে জানিবলৈ দিয়ে যে ভাৰতে ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ নকৰাকৈ উৎপাদন কৰা অধিক ঘেঁহু আৰু আলু ৰাছিয়ালৈ ৰপ্তানি কৰিব। তেওঁ জানিবলৈ দিয়ে যে তেওঁলোকে লগতে মীন আৰু হাঁহ-কুকুৰা ৰপ্তানিৰ সম্ভাৱনীয়তাৰ সন্দৰ্ভতো আলোচনা কৰে। কৃষি বিজ্ঞান অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানৰ আদান-প্ৰদান সন্দৰ্ভত তেওঁলোকে আলোচনা কৰে।

০০০০০০০

কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২১ সংখ্যক কিস্তি মুকলি কৰে। তেওঁ জানিবলৈ দিয়ে যে ৫৪০ কোটিৰো অধিক টকা ২৭ লাখৰো অধিক কৃষকৰ বেংক একাউণ্টলৈ হস্তান্তৰ কৰা হয়। ইয়াৰ ভিতৰত ২৭০ হাজাৰ মহিলা কৃষক। কৃষি মন্ত্ৰীগৰাকীয়ে কয় যে এই কিস্তিৰ ধনে অলপতে বান আৰু ভূমিস্খলনৰ ফলত ক্ষতিগ্ৰস্ত হোৱা হিমাচল প্ৰদেশ, পাঞ্জাৱ আৰু উত্তৰাখণ্ডৰ কৃষকসকলক বিশেষভাৱে উপকৃত কৰিব। শ্ৰীচৌহানে লগতে কয় যে এই ধনৰাশিয়ে প্ৰাকৃতিক দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত হোৱা কৃষকসকলক সাময়িকভাৱে সকাহ প্ৰদান কৰিব। আজিৰ ভাৰ্চুৱেল বৈঠকত হিমাচল প্ৰদেশ, পাঞ্জাৱ আৰু উত্তৰাখণ্ডৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে কৃষক গোটৰ প্ৰতিনিধিসকলো অংস লয়। শ্ৰীচৌহানে জানিবলৈ দিয়ে যে ২০১৯ চনৰ ফেব্ৰুৱাৰী মাহত আৰম্ভ কৰা

প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অধীনত এই তিনিখন ৰাজ্যত এতিয়ালৈকে ১৩ হাজাৰ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে।

oooooo

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ ৮৪ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি কয় যে বিগত ১১ বছৰত ভাৰত প্ৰযুক্তিৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে আৰু অনাগত সময়ত প্ৰযুক্তিৰ সৰ্বশ্ৰেষ্ঠ ক্ষমতাই ভূ-ৰাজনৈতিক সাৰ্বভৌমত্ব নিৰ্ধাৰণ কৰিব। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰযুক্তিৰ বিকাশে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলিও তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে লগতে স্থানীয় বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পদ্ধতিৰে পেৰাচিটামল উৎপাদন আৰু দেশৰ প্ৰথমটো এণ্টিবায়োটিক নাফিথ্ৰোমাইচিন নামকৰণ কৰে। তেওঁ লগতে কয় যে দেশৰ বিভিন্ন ঠাইত বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ মুঠ ৩৭টা গৱেষণাগাৰ আছে আৰু ইয়াৰ জৰিয়তে এই প্ৰতিষ্ঠানটোৱে স্বাস্থ্য খণ্ডৰ উন্নয়নৰ হকে কাম কৰি আছে। তেওঁ লগতে প্ৰতিষ্ঠানটোক তেওঁলোকৰ কৰ্মৰাজিক জনসাধাৰণৰ মাজত পোনপটীয়াকৈ লৈ যাবলৈ বিভিন্ন আধুনিক যোগাযোগ মাধ্যম আৰু সামাজিক মাধ্যমৰ ব্যৱহাৰ কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়।

oooooo

অসমৰ বিটিচি নিৰ্বাচনত বি পি এফ দল সংখ্যাগৰিষ্ঠতাৰ দিশে অগ্ৰসৰ হৈছে। শেহতীয়া ভোটগণনাৰ তথ্য অনুসৰি এতিয়ালৈকে ২১ টা সমষ্টিত বি পি এফৰ প্ৰাৰ্থীয়ে অগ্ৰগতি লাভ কৰিছে। ইউ পি পি এলে ১১ খন, বিজেপিয়ে ৮ খন আসনত অগ্ৰগতি লাভ কৰিছে। কোকৰাঝাৰ আৰু ওদালগুৰি জিলাত বি পি এফৰ প্ৰাৰ্থীসকলে ভাল ফল প্ৰদৰ্শন কৰাৰ বিপৰীতে তামুলপুৰ জিলাত বিজেপিয়ে তুলনামূলকভাৱে ভাল ফল দেখুৱাবলৈ সমৰ্থ হৈছে। চিৰাং জিলাত বি পি এফ, ইউ পি পি এল আৰু বিজেপিৰ প্ৰাৰ্থীৰ মাজত তীব্ৰ প্ৰতিদ্বন্দিতা চলি আছে। বাক্সা জিলাতো বিজেপি, বি পি এফ আৰু ইউ পি পি এলৰ মাজত তীব্ৰ প্ৰতিদ্বন্দিতা হৈছে।

oooooo

ভাৰতে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষা আয়োগৰ প্ৰভাৱ আৰু কাৰ্যকুশলতা শক্তিশালী কৰাৰ ক্ষেত্ৰত দৃঢ়তা প্ৰকাশ কৰিছে। ভাৰতে এইবুলি প্ৰকাশ কৰিছে যে বিশ্বশান্তি আৰু উন্নয়নমূলক কাৰ্যসমূহৰ ক্ষেত্ৰত গঠনমূলক আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ বাবে ভাৰত সাজু আছে। নিউয়ৰ্কত আজি ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষা আয়োগৰ মন্ত্ৰী পৰ্যায়ৰ বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পশ্চিমৰ সচিব ছিবি জৰ্জে প্ৰকাশ কৰে যে শান্তিৰক্ষা আৰু শান্তি স্থাপনৰ বাবে ভাৰতে বিশ্বক এটা পৰিয়ালৰ দৰে জ্ঞান কৰে। তেওঁ লগতে জানিবলৈ দিয়ে যে শান্তি স্থাপনৰ দিশত ভাৰতে গ্লোবেল ছাউথৰ দেশসমূহৰ মাজত উন্নয়নৰ সহযোগী হিচাপে অগ্ৰগতি লাভ কৰিছে।

oooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত সন্মানীয় ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ২০২৪ প্ৰদান কৰে। ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা দেশৰ পুৰণি আৰু সন্মানীয় বঁটাসমূহৰ ভিতৰত অন্যতম। এই বঁটা লাভ কৰা লোকসকলক শুভেচ্ছা জ্ঞাপন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভূ-বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত অসাধাৰণ কৃতিত্ব আৰু অৱদান আগবঢ়োৱাৰ বাবে

এই সন্মান আগবঢ়োৱা হৈছে। মানৱ সভ্যতাৰ বিকাশত খনিজাত পদাৰ্থই এক বিশেষ ভূমিকা গ্ৰহণ কৰাৰ লগতে উদ্যোগৰ বাবেও ই অতি প্ৰয়োজনীয়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে কয়লা আৰু লো অবিহনে ঔদ্যোগিকীকৰণৰ কথা কল্পনাও কৰিব নোৱাৰি। উল্লেখযোগ্য যে খনি মন্ত্ৰালয়ে প্ৰত্যেক বছৰে তিনিটা শাখাত এই বঁটাসমূহ প্ৰদান কৰে। এই বঁটাসমূহ হৈছে - আজীৱন কৃতিত্বৰ বাবে ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা আৰু ৰাষ্ট্ৰীয় যুৱ ভূ-বিজ্ঞানী বঁটা।

oooooo

খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰী চিৰাগ পাছোৱানে বিনিয়োগকাৰীসকলক বিহাৰত বিনিয়োগ কৰিবলৈ আহ্বান জনায়। বিহাৰ চৰকাৰে বিনিয়োগকাৰীসকলক বিনিয়োগৰ বাবে সকলো সা-সুবিধা প্ৰদান কৰিব বুলি বিশ্ব খাদ্য ভাৰত ২০২৫ শীৰ্ষক এটা অনুষ্ঠানত ভাষণ দি শ্ৰীপাছোৱানে আশ্বাস দিয়ে। বিগত কিছু বছৰত দ্বৈত ইঞ্জিন চৰকাৰৰ বাবে ৰাজ্যখনত অভূতপূৰ্ব উন্নয়ন পৰিলক্ষিত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসঙ্গত উল্লেখ কৰে। বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰেও অন্যান্য ৰাজ্যসমূহৰ লগত বিহাৰ যোগাযোগ বৃদ্ধিৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে।

oooooo

ভাৰতে নাটুৰ সচিব জেনেৰেল মাৰ্ক ৰুটে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি আৰু ভ্লাডিমিৰ পুটিন মাজত টেলিফোনযোগে বাৰ্তালাপ কৰাৰ বিষয়ক অসত্য আৰু ভিত্তিহীন বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ এটা প্ৰশ্নৰ উত্তৰত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মুখপাত্ৰ ৰনধীৰ জয়ছৱালে কয় যে নেতা দুগৰাকীৰ মাজত এনে ধৰণৰ কোনো বাৰ্তালাপ হোৱা নাই।

oooooo

গৃহমন্ত্ৰী অমিত শ্বাহে আজি পশ্চিম বংগত পৰিৱৰ্তনৰ বাবে আহ্বান জনাইছে। কলকাতাৰ সন্তোষ মিত্ৰ স্কোৱাৰত আজি এটা দুৰ্গা পূজাৰ মণ্ডপত ভাষণ দি এই কথা প্ৰকাশ কৰে। এই পূজা মণ্ডপটোত অপাৰেচন সিন্দূৰৰ বিষয়ক লৈ লেজাৰ প্ৰদৰ্শন কৰা হৈছে। শ্ৰীশ্বাহে পশ্চিম বংগৰ সুৰক্ষা, শান্তি আৰু সমৃদ্ধিৰ বাবে ৰাজ্যখনৰ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

oooooo

আজি নিউয়ৰ্কত অনুষ্ঠিত সন্ত্ৰাসবাদৰ বলি হোৱা বন্ধুগোটৰ ষষ্ঠ মন্ত্ৰী পৰ্যায়ৰ এখন বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব ছিবি জৰ্জে ভাৰত সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীল নীতিত অটল বুলি পুনৰবাৰ সোঁৱৰাই দিয়ে আৰু সন্ত্ৰাসবাদ নিৰ্মূলৰ বাবে বিশ্বৰ সকলোকে একগোট হৈ যুঁজ চলাবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে সন্ত্ৰাসবাদৰ বলি হোৱা বন্ধুগোট ২০১৯ চনত ৰাষ্ট্ৰসংঘৰ সদস্যৰাষ্ট্ৰ আৰু পৰ্যবেক্ষকৰ গোট যিয়ে সন্ত্ৰাসবাদৰ বলি হোৱা লোকসকলৰ মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাৰ বাবে গঠন কৰা হৈছে।

oooooo

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলৰ পূৰ্বে ছুপাৰ ফ'ৰ পৰ্যায়ৰ আন এখন খেলত আজি ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

যোৱা নিশা ডুবাইত অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত পাকিস্তানে বাংলাদেশক ১১ ৰানত হৰুৱাই ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে। এই জয়ৰ সুবাদত অহা দেওবাৰে হ'বলগীয়া প্ৰতিযোগিতাৰ

ফাইনেলত পাকিস্তান ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, সপ্তদশবাৰৰ বাবে অনুষ্ঠিত এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভাৰত আৰু পাকিস্তান ফাইনেলত মুখামুখি হ'ব।

০০০০০০

নতুন দিল্লীৰ ড০ কাৰ্ণি সিং শ্বুটিং ৰেঞ্জত অনুষ্ঠিত আই এছ্ এছ্ এফ জুনিয়ৰ ৱৰ্ল্ড কাপ ৰাইফল, পিষ্টল, শ্বটগান ২০২৫ৰ আজি দ্বিতীয় দিনা ভাৰতৰ ১৬ বছৰীয়া জনাথন গেভিন এণ্টনীয়ে ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত সোণৰ পদক লাভ কৰে। এই শাখাত ইটালীৰ লুকা এৰিঘীয়ে ৰূপৰ আৰু স্পেইনৰ লুকাছ্ ছেনচেজে ব্ৰঞ্জৰ পদক লাভ কৰে।

মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টলত ভাৰতৰ ৰশ্মিকা চেহগালে ৰূপৰ পদক লাভ কৰে।

স্কীট শাখাৰ কোৱালিফিকেশ্যন ৰাউণ্ডত এছিয়ান চেম্পিয়নশ্বিপত ভাৰতৰ ৰূপৰ পদক বিজয়ী হৰমেহেৰ সিং লেলীয়ে অগ্ৰগতি লাভ কৰিছে। মহিলাৰ একে শাখাৰ কোৱালিফিকেশ্যন ৰাউণ্ডত ভাৰতৰ এছিয়ান চেম্পিয়ন মানসী ৰঘবংশীয়ে অগ্ৰগতি লাভ কৰিছে।

০০০০০০

সমাপ্ত